# বীৰেন গগৈৰ দুটা কবিতা

**শিলৰ মুখৰ হাঁহি**

এদিন অকল গছ-বনৰ
নিজৰ অধীনত আছিল
পৰ্বত-পাহাৰৰ উজ্বল সেউজীয়া

শিলৰ মুখত আছিল হাঁহি
শিলৰ চকুত আছিল ছবি

আমি চিঞৰিছিলোঁ
আমি শুনিছিলোঁ
আকাশ-বতাহৰ ধুমুহা
নৈ-নিজৰাৰ বান
গছ-বনৰ গান

শিলৰ মুখৰ হাঁহি

দেহাৰ নাৱৰ দেহাৰ লগৰী
কোনোবাই জানো এৰি থাকিব পাৰে
মাটি আৰু পানী

বুকুত শত যুগৰ সুখ-দুখ সাবটি
শিলৰ মুখৰ হাঁহি

**ফুলে জানে ফুলাৰ সময়**

ফুলে জানে
ফুলাৰ সময়

শিশুৰে জানে
সুখত হাঁহিব
দুখত কান্দিব
মুখ আৰু হাত দি চিনে
আইৰ বুকুৰ উম

ফুল ফুলা সৰা
সময় খুঁচৰি মুচৰি
দিন-ৰাতি পাত পাত কৰা

আমি মাথোঁ অক্ষম কবি

ফুলে যে জানে
ফুলাৰ সময়
বহুতে নাজানে

বহুতে আৰু নাজানে
কি শোকত ৰাতি ফুলি
ৰাতিতে সৰে শেৱালি

**বীৰেন গগৈ** অসমৰ এগৰাকী জ্যেষ্ঠ কবি। তেওঁৰ প্ৰকাশিত কাব্য-সংকলন পাঁচখন।